**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-11-2024 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

পঞ্চায়ত নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত কুচকাৱাজ চলি থকাৰ সময়তে অহা ১ৰ পৰা ৫ ফেব্ৰুৱাৰীৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগত তৎপৰতা আৰম্ভ হৈছে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ১০ ফেব্ৰুৱাৰীৰ পূৰ্বেই পঞ্চায়ত নিৰ্বাচন সম্পূৰ্ণ কৰাৰ বাবে কেবিনেটত লোৱা সিদ্ধান্তৰ কথা সদৰী কৰাৰ পাছত এই নিৰ্বাচনক লৈ সম্প্ৰতি শাসক-বিৰোধী উভয় পক্ষৰ মাজত প্ৰস্তুতি চলিছে। এই উদ্দেশ্যে পঞ্চায়ত পৰ্যায়ত নিৰ্বাচনৰ বাবে খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰাৰ কাম-কাজ আৰম্ভ হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ এটা সূত্ৰই প্ৰকাশ কৰা অনুসৰি পঞ্চায়ত নিৰ্বাচনৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰাৰ পূৰ্বে অহা ১০-১১ ডিচেম্বৰত পঞ্চায়ত নিৰ্বাচনৰ খচৰা প্ৰকাশ কৰা হ'ব। আনহাতে ১৪ৰ পৰা ২১ ডিচেম্বৰলৈ খচৰা ভোটাৰ তালিকা আৰু ওজৰ আপত্তি তথা দাবীসমূহ নিষ্পত্তি কৰাৰ লগতে ২৮ ডিচেম্বৰত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব। নিৰ্বাচন আয়োগৰ সূত্ৰটোৱে প্ৰকাশ কৰা অনুসৰি ডিচেম্বৰৰ শেষ ভাগত যদি চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ হয় তেন্তে জানুৱাৰীৰ প্ৰথম ভাগত নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব।

0000000

চলিত ৰাজ্য সভাৰ কামকাজ আজি হুলস্থূলীয়া পৰিস্থিতিৰ বাবে দিনটোৰ বাবে স্থগিত ৰখা হয়। লোকসভাৰ কামকাজ বিৰোধী দলৰ সদস্য সকলে বিভিন্ন দাবীত হুলস্থূলীয়া পৰিস্থিতৰ সৃষ্টি কৰাৰ বাবে অধ্যক্ষই ১২ বজালৈকে সদন স্থগিত ঘোষণা কৰে।

00000000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অনুষ্ঠিত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাৰ আজি অন্ত পৰিব। দেশী-বিদেশী কেইবা শতাধিক পৰ্যটন প্ৰতিনিধি, ট্যুৰ অপাৰেটৰে অংশগ্ৰহণ কৰা এই পৰ্যটন মেলাৰ কালি তৃতীয় দিনা অনুষ্ঠিত সাংস্কৃতিক সমাৰোহত ভাৰতত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত এৰিক গাৰ্চটি উপস্থিত থাকে। ৰাষ্ট্ৰদূতগৰাকীয়ে তেওঁৰ ভাষণত উত্তৰ-পূব ভাৰতৰ সৌন্দৰ্যত তেওঁ অভিভূত হোৱা  বুলি উল্লেখ কৰে। অনুষ্ঠানত জিলা আয়ুক্তৰ লগতে অসম পৰ্যটন উন্নয়ন নিগম লিমিটেডৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা উপস্থিত থাকে।

00000000

ভাৰতৰ ৫৫ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত লিথিওনিয়াৰ চিনেমা টক্সিকে শ্ৰেষ্ঠ ছবিৰ সন্মান লাভ কৰিছে।  ক্লেমেণ্ট ফেভ্ৰোৱে হোলি কাওত কৰা অভিনয়ৰ বাবে শ্ৰেষ্ঠ অভিনেতাৰ পুৰস্কাৰ লাভ কৰে। গোৱাৰ পানাজিত কালি সমাৰণি পৰা জাকজমকতাপূৰ্ণ অনুষ্ঠানত বঁটাসমূহ প্ৰদান কৰা হয়।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ভূবনেশ্বৰত হ'বলগীয়া আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শকসকলৰ সৰ্বভাৰতীয় সন্মিলনত অংশগ্ৰহণ কৰিব। তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া এই সন্মিলনত

আভ্যন্তৰীন সুৰক্ষা, চাইবাৰ অপৰাধ, মাওবাদীসকলৰ ভাবুকি, কৃত্ৰিম বুদ্ধিমত্তাই সৃষ্টি কৰা প্ৰত্যাহ্বান, ড্ৰোণৰ পৰা অহা শেহতীয়া ভাবুকি, সন্ত্ৰাসবাদ প্ৰতিৰোধী ব্যৱস্থা আদিকে ধৰি ভালেমান গুৰুত্বপূৰ্ণ বিষয় আলোচিত হোৱাৰ সম্ভাৱনা আছে। এই সন্মিলনত ৰাষ্ট্ৰপতিৰ আৰক্ষী সেৱা পদক প্ৰদান কৰা হ'ব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় সূত্ৰই জানিবলৈ দিছে যে প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে এই সন্মিলনত নতুন ধাৰণাক প্ৰসাৰিত কৰাৰ বাবে মুকলি পৰিৱেশ আৰু অনানুষ্ঠানিক আলোচনাৰ পোষকতা কৰি আহিছে। লোক সেৱা ভৱণত হ'বলগীয়া সন্মিলনখনত প্ৰধানমন্ত্ৰীৰ উপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালেও অংশ লোৱাৰ কথা আছে। ৰাষ্ট্ৰীয় সুৰক্ষাৰ লগত জড়িত বিষয়সমূহ আলোচনা কৰাৰ উদ্দেশ্যে শীৰ্ষ আৰক্ষী বিষয়াসকল আৰু নিৰাপত্তাৰ লগত জড়িত প্ৰশাসকসকলে অংশ ল'ব। অপৰাধ নিয়ন্ত্ৰণ, আইন আৰু শান্তিশৃংখলাৰ পৰিস্থিতিৰ লগতে আভ্যন্তৰীণ সুৰক্ষাৰ ভাবুকিসমূহ মোকাবিলা কৰাৰ বাবে এটা উমৈহতীয়া সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

দেশৰ সকলো ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ আৰক্ষী সঞ্চালকপ্ৰধানসকলৰ উপৰি চি আৰ পি এফ, ৰ, এন এছ জি, ইণ্টালিজেন্স ব্যুৰ' আৰু এছ পি জিৰ মুৰববীসকলে ভাগ ল'বলগীয়া এই সন্মিলনখন ওড়িশাই প্ৰথমবাৰৰ বাবে আয়োজন কৰিছে।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ পুৰণি টেলিফোন নম্বৰ ২৬৬০৪২৬ পুনৰ বাহাল কৰা হৈছে। দীৰ্ঘদিন ধৰি এই টেলিফোন নম্বৰটো বিকল হৈ থকাৰ বাবে বাতৰি বিভাগ, আমাৰ সংবাদদাতাসকল আৰু আমাৰ শ্ৰোতাসকল যথেষ্ট আহুকালৰ সন্মুখীন হ'বলগীয়া হৈছিল। ভাৰত সঞ্চাৰ নিগম লিমিটেড চমুকৈ বি এছ এন এলৰ অধীনৰ এই টেলিফোন নম্বৰলৈ মোবাইল ফোনৰ পৰা ০৩৬১- এই কোড ব্যৱহাৰ কৰি ডায়েল কৰিব লাগিব। সংবাদদাতা আৰু সৰ্বসাধাৰণ ৰাইজে ০৩৬১-২৬৬০৪২৬ নম্বৰত টেলিফোন কৰি যিকোনো বাতৰি আৰু মত-অভিমত জনাব পাৰিব।

০০০০০০০০

বিধানসভাৰ নতুন ভৱনত আজি বিশেষ অনুষ্ঠানত শপত গ্ৰহণ ল'ব নৱনিৰ্বাচিত পাঁচগৰাকী বিধায়কে। আজি আবেলি ৪ বজাত বিধানসভাৰ নতুন ভৱনত এই ৫গৰাকী বিধায়কক বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শপত বাক্য পাঠ কৰোৱাব। উল্লেখযোগ্য যে যোৱা ১৩ নৱেম্বৰত ৰাজ্যত অনুষ্ঠিত হোৱা উপ-নিৰ্বাচনত বঙাইগাঁৱৰ পৰা দিপ্তীময়ী চৌধুৰী, বিহালীৰ পৰা দিগন্ত ঘাটোৱাৰ, ঢলাইৰ পৰা নিহাৰৰঞ্জন দাস, ছিদলীৰ পৰা নিৰ্মল ব্ৰহ্ম আৰু চামগুৰিৰ পৰা দিপ্লুৰঞ্জন শৰ্মা -এই ৫ বিধায়ক বিধানসভালৈ নিৰ্বাচিত হৈছিল।

০০০০০০০০

সমাপ্ত